প্ৰেছ বাৰ্তা নং ঃ ১৪৭/২০২২

# প্ৰধানমন্ত্ৰী আৱাস যোজনা-গ্ৰামীণৰ অধীনত ৫ লাখ হিতাধিকাৰীলৈ গৃহৰ অনুমোদন আৰু পুঁজি মুকলিৰ অৰ্থে আয়োজিত অনুষ্ঠানত মুখ্যমন্ত্ৰীৰ অংশগ্ৰহণ

## আমি অসমখন নতুন ৰূপত সজাই তোলাৰ বাবে প্ৰয়াস আৰু প্ৰচেষ্টা লৈছোঁ ঃ মুখ্যমন্ত্ৰী

## ৬ লাখ নতুন হিতাধিকাৰীৰ অন্তৰ্ভুক্তি, ধনৰাশি বৃদ্ধিৰে ১৫ আগষ্টত নতুন ৰূপত অৰুণোদয় আঁচনি ঃ মুখ্যমন্ত্ৰী

## যোৰহাটত শীঘ্ৰে শুভাৰম্ভ হ'ব একাধিক উন্নয়নমূলক প্ৰকল্প ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ১৯ মে'** ঃ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি গ্ৰামোন্নয়ন আৰু পঞ্চায়তীৰাজ মন্ত্ৰালয়ৰ কেন্দ্ৰীয় মন্ত্ৰী গিৰিৰাজ সিঙৰ সৈতে যোৰহাটৰ কোৰ্ট ফিল্ডত প্ৰধানমন্ত্ৰী আৱাস যোজনা-গ্ৰামীণৰ অধীনত ৫ লাখ হিতাধিকাৰীলৈ গৃহৰ অনুমোদন আৰু পুঁজি মুকলিৰ অৰ্থে আয়োজিত অনুষ্ঠানত অংশগ্ৰহণ কৰে। মুখ্যমন্ত্ৰী ড° শৰ্মাই কেন্দ্ৰীয় মন্ত্ৰী সিঙৰ সৈতে ১২ গৰাকী হিতাধিকাৰীলৈ গৃহ আবণ্টনৰ অনুমোদন পত্ৰ প্ৰদান কৰি সমগ্ৰ কাৰ্যসূচীৰ শুভাৰম্ভ কৰাৰ লগতে এই আঁচনিখনৰ বিভিন্ন দিশৰ তথ্য সম্বলিতকৰণেৰে পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগে প্ৰকাশ কৰা এখন হাতপুথিও উন্মোচন কৰে।

এই উপলক্ষে প্ৰদান কৰা ভাষণত মুখ্যমন্ত্ৰী ড° শৰ্মাই আজিৰ দিনটো ৰাজ্যখনৰ বাবে এটা গুৰুত্বপূৰ্ণ আৰু স্মৰণীয় দিন বুলি অভিহিত কৰি কয় যে প্ৰধানমন্ত্ৰী আৱাস যোজনা-গ্ৰামীণৰ অধীনত ৫ লাখ পৰিয়াললৈ গৃহৰ অনুমোদন আৰু পুঁজি মুকলিৰ দ্বাৰা ৰাজ্য চৰকাৰে যোৰহাট জিলাৰ পৰাই এক নতুন কৰ্মযজ্ঞৰ আৰম্ভ কৰিব বিচাৰিছে। মুখ্যমন্ত্ৰীয়ে কয় যে ২০১৪ চনত

নৰেন্দ্ৰ মোদীয়ে দেশৰ প্ৰধানমন্ত্ৰীত্বৰ দায়িত্ব গ্ৰহণ কৰাৰ পিছৰে পৰা আজিৰ দিনটোলৈকে অসমত ১৯ লাখ গৃহ নিৰ্মাণৰ বাবে মঞ্জুৰী প্ৰদান কৰিছে আৰু ইয়াৰ বাবে সৰ্বমুঠ ২৭ হাজাৰ কোটি টকা কেন্দ্ৰীয় চৰকাৰে প্ৰদান কৰিব। ইয়াৰে প্ৰায় ৭ লাখ গৃহ নিৰ্মাণৰ কাম বিভিন্ন পৰ্যায়ত আছে আৰু আজিৰে পৰা ৫ লাখ গৃহ নিৰ্মাণৰ কাম হোৱাৰ পিছত আগন্তুক দিনত আৰু ৭ লাখ গৃহ নিৰ্মাণৰ উদ্যোগ লোৱা হ'ব। মুখ্যমন্ত্ৰীয়ে সদৰি কৰে যে এই ৫ লাখ হিতাধিকাৰীৰ গৃহ নিৰ্মাণৰ বাবদ চৰকাৰৰ ৭৭৩৯.৫০ কোটি টকা ব্যয় হ'ব। ইয়াৰ প্ৰথম কিস্তি হিচাপে সৰ্বমুঠ ১৬৫৭.৫০ কোটি টকা হিতাধিকাৰীসকলক আদায় দিয়াৰ ব্যৱস্থা কৰা হৈছে। ভাষণ প্ৰসংগত তেওঁ নিজ নিজ বেংক একাউণ্টযোগে লাভ কৰা ধনৰাশি গৃহ নিৰ্মাণৰ দ্বাৰা সৎ ব্যৱহাৰ কৰিবলৈ হিতাধিকাৰীলৈ আহ্বান জনাই কোনো মধ্যভোগীয়ে ধন বিচাৰিলে সংশ্লিষ্ট বিধায়ক, জিলা উপায়ুক্ত নতুবা তেওঁক অৱগত কৰিবলৈ কয়। তেনেদৰে এই আঁচনিখনৰ হিতাধিকাৰী হিচাপে অন্তৰ্ভুক্ত হ'ব নলগীয়া কোনো ব্যক্তিৰ নাম যদি তালিকাত অন্তৰ্ভুক্ত হৈছে তেন্তে সেই সন্দৰ্ভত ১৮০০-১২৩২-৩৫৬০০ হেল্পলাইন নম্বৰত অভিযোগ দাখিলৰ বাবেও তেওঁ জনসাধাৰণলৈ আহ্বান জনায়। মুখ্যমন্ত্ৰীয়ে মন্তব্য কৰে যে দুৰ্নীতিক প্ৰশ্ৰয় নিদি নতুন ধৰণে অসমখন নিৰ্মাণৰ সময় আহি পৰিছে আৰু আমি সকলোৰে সেই সময়ৰ সদ্ব্যৱহাৰ কৰিব লাগিব।

যোৰহাট জিলাৰ ১২ হাজাৰ হিতাধিকাৰীৰ ভিতৰত প্ৰায় ৪ হাজাৰ চাহ বাগিচাৰ মজদুৰ অন্তৰ্ভুক্ত হৈছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে এই গৃহ নিৰ্মাণৰ ক্ষেত্ৰত আপত্তিবিহীন প্ৰমাণপত্ৰ সুকলমে দিয়াৰ বাবে চাহ বাগিচাৰ মালিক কৰ্তৃপক্ষলৈ আহ্বান জনায়। তেওঁ মন্তব্য কৰে যে ৰাজ্যখনৰ আৰ্ত, নিঃস্বজনেহে প্ৰথমে অধিকাৰসমূহ লাভ কৰিব লাগিব। ভাষণ প্ৰসংগত মুখ্যমন্ত্ৰীয়ে কয় যে ইটা, চিমেণ্ট আদিকে ধৰি গৃহ নিৰ্মাণত ব্যৱহৃত সামগ্ৰীৰ থলুৱাভাৱে ক্ৰয়-বিক্ৰয়ৰ দ্বাৰা প্ৰধানমন্ত্ৰী আৱাস যোজনা-গ্ৰামীণৰ জৰিয়তে অসমৰ অৰ্থনীতিলৈ প্ৰভূত বৰঙণি আহিব। হিতাধিকাৰীসকলে যাতে কম মূল্যত গৃহ নিৰ্মাণৰ সামগ্ৰী লাভ কৰে আৰু আঁচনিখনত যাতে মধ্যভোগী সোমাব নোৱাৰে তাৰ প্ৰতি দৃষ্টি ৰাখিবলৈ তেওঁ প্ৰশাসনক আহ্বান জনায়। ড° শৰ্মাই কয় যে প্ৰতিটো স্থানতে তদাৰকী সমিতি, ছাত্ৰ সংগঠন, নাগৰিক, চাহ বাগিচা অঞ্চলত চাহ মজদুৰ সংঘ আদিক জড়িত কৰি আবণ্টিত সম্পূৰ্ণ ধন যাতে অনিয়ম নোহোৱাকৈ হিতাধিকাৰীয়ে লাভ কৰিব পাৰে সেয়া সুনিশ্চিত কৰিব লাগিব।

নিৰ্বাচনী প্ৰতিশ্ৰুতি পূৰণৰ অৰ্থে ৰাজ্য চৰকাৰে লোৱা বিভিন্ন পদক্ষেপৰাজিৰ কথা ভাষণ প্ৰসংগত উল্লেখ কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই কৃষি কৰ্মৰ লগতে অন্যান্য উৎপাদনমুখী কামত ব্ৰতী হ'বলৈ জনসাধাৰণক আহ্বান জনায়। তেওঁ সদৰি কৰে যে ২০২৬ চনৰ ভিতৰত ৰাজ্যত প্ৰতিদিনে ১০ লাখ লিটাৰ গাখীৰ উৎপাদনৰ বাবে লক্ষ্য লৈ ৰাজ্য চৰকাৰে বিভিন্ন প্ৰচেষ্টা হাতত লৈছে।

তেনেদৰে মহিলা আত্ম সহায়ক গোটসমূহক অধিক কৰ্মমুখী কৰাৰ উদ্দেশ্যে ৰাজ্য চৰকাৰে নতুন আঁচনি গ্ৰহণৰ দিশতো আগবাঢ়িছে। ঔদ্যোগিকীকৰণ আৰু কৃষিৰ জৰিয়তে ২ লাখ লোকক সংস্থাপন দিয়াৰ অৰ্থে ৰাজ্য চৰকাৰে প্ৰচেষ্টা লৈছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে অৰুণোদয় আঁচনিখন নতুন ৰূপত সজাই তোলাৰ উদ্দেশ্যে অহা ১৫ জুনৰ পৰা ১৫ জুলাইলৈকে মহাবিদ্যালয়ৰ শিক্ষাৰ্থীৰ দ্বাৰা পুৰণি হিতাধিকাৰীৰ ঘৰে ঘৰে গৈ তেওঁলোকে বেংকৰ জৰিয়তে লাভ কৰা সা-সুবিধাসমূহকে ধৰি বিভিন্ন বিষয়ৰ তথ্য সংগ্ৰহ কৰা হ'ব। ইয়াৰ পিছতে প্ৰতিটো সমষ্টিত নতুনকৈ ৬ হাজাৰ হিতাধিকাৰীক আঁচনিখনত অন্তৰ্ভুক্ত কৰা হ'ব। চলিত বৰ্ষৰ ১৫ আগষ্টত অৰুণোদয় আঁচনিৰ দ্বাৰা হিতাধিকাৰীলৈ প্ৰদান কৰা ধনৰাশি ১২৫০ টকালৈ বৃদ্ধি কৰা হ'ব বুলিও তেওঁ সদৰি কৰে। মুখ্যমন্ত্ৰীয়ে কয় — 'আমি অসমখন নতুন ৰূপত সজাই তোলাৰ বাবে প্ৰয়াস আৰু প্ৰচেষ্টা লৈছোঁ।'

আজিৰ অনুষ্ঠানতে মুখ্যমন্ত্ৰী ড° শৰ্মাই যোৰহাটৰ উন্নয়নৰ অৰ্থে ৰাজ্য চৰকাৰে গ্ৰহণ কৰা কেতবোৰ পৰিকল্পনাৰ কথাও সদৰি কৰে। তেওঁ কয় যে যোৰহাটত এখন পূৰ্ণাংগ ষ্টেডিয়াম নিৰ্মাণৰ বাবে ৰাজ্য চৰকাৰে পৰিকল্পনা লৈছে। তেনেদৰে যোৰহাট উপায়ুক্ত কাৰ্যালয়টোক চিনামৰা চাহ বাগিচালৈ স্থানান্তৰ কৰি পুৰণি ভৱনটোক সংগ্ৰহালয় ৰূপে গঢ়ি তোলা হ'ব। যোৰহাটৰ নতুন সংহত উপায়ুক্ত কাৰ্যালয় নিৰ্মাণৰ বাবে ইতিমধ্যে ৫০ কোটি টকা আবণ্টন দিয়া হৈছে বুলিও তেওঁ কয়। মুখ্যমন্ত্ৰীয়ে লগতে ঘোষণা কৰে যে যোৰহাট নগৰ পানীযোগান আঁচনিখনৰ বাবে পুঁজি মঞ্জুৰী দিয়া হ'ব আৰু যোৰহাট কাৰাগাৰৰ ভূমিত স্বাধীনতা সংগ্ৰামীৰ স্মৃতি উদ্যান নিৰ্মাণ কৰা হ'ব। তেনেদৰে যোৰহাট জিলাৰ প্ৰাথমিক বিদ্যালয়সমূহত বিদ্যালয় চৌহদতে মধ্যাহ্ন ভোজনৰ খাদ্য প্ৰস্তুতকৰণ ব্যৱস্থাৰ অৱসান ঘটাই এক কেন্দ্ৰীয় পাকঘৰৰ ব্যৱস্থাৰ দ্বাৰা আহাৰ যোগান ধৰাৰ ব্যৱস্থা কৰা হ'ব। যোৰহাটৰ এই সমগ্ৰ উন্নয়মূলক কাম-কাজ অহা আগষ্ট মাহৰ পূৰ্বে আৰম্ভ হ'ব বুলিও তেওঁ ঘোষণা কৰে।

পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ প্ৰধান সচিব জে বি এক্কাই আদৰণি ভাষণ প্ৰদান কৰা আজিৰ এই অনুষ্ঠানত কেন্দ্ৰীয় মন্ত্ৰী গিৰিৰাজ সিঙে ভাষণ প্ৰদান কৰি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলক দেশৰ আত্মাৰূপে গঢ় দিয়াৰ বাবে প্ৰচেষ্টা হাতত লৈছে বুলি মন্তব্য কৰে। অনুষ্ঠানত ভাষণ প্ৰদান কৰি পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী ৰঞ্জিত কুমাৰ দাসে কয় যে প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ অধীনত ২০১৬ চনৰ পৰা অসমত ৫ লাখ ৩১ হাজাৰ ৩৯০ টা গৃহ ইতিমধ্যে নিৰ্মাণ কৰা হৈছে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন ৰাজ্য চৰকাৰখনৰ মাত্ৰ এটা বছৰৰ ভিতৰতে ১২৮৩৯৮ টা গৃহ নিৰ্মাণ সম্ভৱ হৈ উঠিছে। এই ক্ষেত্ৰত প্ৰদান কৰা দিহা

পৰামৰ্শৰ বাবে মুখ্যমন্ত্ৰীক ধন্যবাদ জ্ঞাপন কৰি তেওঁ ২০২৪ চনত সকলোৰে বাবে আৱাস গৃহ প্ৰদানৰ লক্ষ্যত উপনীত হোৱাৰ বাবে পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগে নিৰলস প্ৰচেষ্টা চলাই আছে বুলি মন্তব্য কৰে।

আজিৰ এই অনুষ্ঠানত লোকসভাৰ সাংসদ তপন কুমাৰ গগৈ, ৰাজ্যসভাৰ সাংসদ কামাখ্যা প্ৰসাদ তাছা, বিধায়ক হিতেন্দ্ৰ নাথ গোস্বামী, ৰূপজ্যোতি কুৰ্মী, ভৰেন্দ্ৰনাথ ভৰালী, ভাস্কৰ বৰুৱা আৰু সমাজ সেৱক হেমন্ত কলিতাৰ উপৰি বহু গণ্য-মান্য ব্যক্তি উপস্থিত থাকে।

**নিঃকুঃদাঃ**
**১৯/০৫/২০২২**